# দৈনিক জনমভূমি

া, বিংশতিতম বছৰ, সংখ্যা ৩২ ● শনিবাৰ ● ১৯ আহিন ● ১৯৪৫ শক ● THE DAINIK JANAMBHUMI ● Tinsukia ● Saturday ●

# ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ নামত খাম মুকলি ভাৰতীয় ডাক বিভাগৰ




ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ৬ অক্টোবৰ ঃ অসমৰ এখন ঐতিহাসিক উচ্চ শিক্ষানুষ্ঠান ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ নামত আজি ভাৰতীয় ডাক বিভাগে মুকলি কৰে এটা বিশেষ খাম। এই বিশেষ খামটো মুকলি কৰে ডিব্ৰুগড় মণ্ডলৰ পষ্ট মাষ্টৰ জেনেৰেল চি এল লালথাক জুৰালা, ডিব্ৰুগড় মণ্ডলৰ অধীক্ষক কুমাৰ ৰঞ্জন ৰয় আৰু অৱসৰপ্ৰাপ্ত ডাক অধীক্ষক দেৱী প্ৰসাদ নায়কে। ডিব্ৰুগড়ত আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত ডাক টিকট সংগ্ৰহ প্ৰদৰ্শনী মুকলি অনুষ্ঠানত এই বিশেষ খামটো দেশবাসীৰ বাবে মুকলি কৰা হয়। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তিনিবাৰকৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়ৰ সন্মান, সেউজ মহাবিদ্যালয়, দেশৰ ভিতৰত এখন স্বচ্ছ মহাবিদ্যালয় নামেৰে উজলি উঠা কানৈ মহাবিদ্যালয়ক ভাৰতীয় ডাক বিভাগে এনেদৰে স্বীকৃতি প্ৰদান কৰাত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত আনন্দৰ বন্যা বৈছে। ৭৫ বছৰ অতিক্ৰম কৰা কানৈ মহাবিদ্যালয়ৰ ইতিহাসত ই এক নতুন সংযোজন বুলি অভিহিত হৈছে। এই আটকধুনীয়া আৰু ৰঙীন খামটো মুকলি হোৱাৰ পাছতে ডাক টিকট সংগ্ৰহকাৰীসকলৰ মাজত এই বিশেষ খামটো সংগ্ৰহ কৰি সংৰক্ষণ কৰাৰ এক অঘোষিত প্ৰতিযোগিতা হোৱা বুলি ডাক বিভাগৰ পৰা জানিব পৰা গৈছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় যে এয়া মহাবিদ্যালয়খনৰ বাবেই নহয়, উত্তৰ-পূব ভাৰতৰ মহাবিদ্যালয় তথা শিক্ষানুষ্ঠান আৰু অঞ্চলটোৰ বাবে ই এক গৌৰৱৰ মুহূৰ্ত। উল্লেখযোগ্য যে কিছুদিন ধৰি ডাক বিভাগৰ এই বিশেষ খামটো মুকলি কৰাৰ বাবে এক দীৰ্ঘ সময়ৰ প্ৰক্ৰিয়াৰ মাজেৰে আহি আজি এই পবিত্ৰ দিনটোত উপস্থিত হয়। অনুষ্ঠানত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ হৈ উপস্থিত থাকে উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী।